# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOL. II**

**No. 1**

The 30th May 1983

1983

PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

Proceedings of the Second Session of the Assam Legislative Assembly assemble after the seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 30th May, 1983 with the Hon. Speaker in the Chair, 19(ninteen) Ministers, 6 (Six) Ministers of State, 1 (One) Parliamentary Secretary 6 (Six) Deputy Ministers and 71 (Seventy one) Members present.

## QUESTIONS AND ANSWERS

### STARRED QUESTIONS AND ANSWERS

শ্ৰীমথুৰা ডেকাই সুধিছে

১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এই কথা সচাঁনে যে, অসমৰ মহকুমা পাঁৰষদ সমূহত চৰকাৰে তদৰ্থ কমিটি গঠন কৰিছে

(খ) যদি সচাঁ হয় সদস্য সকলক কি ভিত্তিত মনোনীত কৰা হৈছে ?

শ্ৰীউপেন্দ্ৰ দাস (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

১। (ক) হয়, সচাঁ ।

(খ) বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত বাইজৰ গঠন মূলক কাম কৰিব পৰাৰ যোগ্যতাৰ ভিত্তিত আৰু সংশ্লিষ্ট বিধায়ক সকলৰ আৱশ্যকীয় প্ৰয়োজন ক্ষেত্ৰে পৰমাৰ্শ মনত ৰাখি সকলো সম্প্ৰদায়ৰ মাজত শান্তি আৰু সম্ভৱ অক্ষুন্ন ৰাখি উন্নয়নৰ কাম কৰিব পৰা মনোবৃত্তিৰ পৰিচায়ক হিচাবে সদস্য মনোনয়ন কৰা হৈছে ।

শ্ৰীমথুৰা ডেকাঃ— মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুস্ত হব পৰা নাই । আমি জানো যে প্ৰতিটো সমস্তিৰ পৰা একোজনকৈ সদস্য মনোনিত কৰা হোৱা নাই । কেনে ধৰণেৰে সদস্য মনোনিত কৰিছে মই সেইটো কথা জানিব বিচাৰিছো ।

শ্ৰীউপেন দাসঃ— মই (খ) প্ৰশ্নৰ উত্তৰত কৈছো যে বৰ্ত্তমান অৱস্থাৰ পৰিপেক্ষিতত প্ৰয়োজন সাপেক্ষে উন্নয়নৰ কাম কৰিব পৰা মনোবৃত্তিৰ লোককহে সদস্য মনোনিত কৰা হৈছে ।

শ্ৰীআফজালুৰ ৰহমান ঃ— এইটো কথা সচাঁনেকি যে সকলো বিলাক এম এল এক এনেকুৱা নিৰ্দ্দেশ দিয়া হৈছিল যে মহকুমা পৰিষদৰ সদস্য সকল এম এল এ সকলৰ পৰামৰ্শ মতে লোৱা হব। বাস্তৱ ক্ষেত্ৰত এইটো কৰা হৈছিলনে? এনেকুৱা এটা নিৰ্দ্দেশ দিয়া হৈছিল নে নাই?

শ্ৰীউপেন দাস ঃ— এই কথাটো উত্তৰতে দিয়া হৈছে। মহকুমা পৰিষদ বিলাক গঠন কৰাৰ সময়ত সময়ৰ নাটনিৰ কাৰণে লৰালৰি কৰিব লগীয়া হোৱাৰ কাৰণে প্ৰত্যেক জন বিধান সভাৰ সদস্যলৈকে চিঠি দিয়া হৈছিল যে তেওঁলোকে বহি আলোচনা কৰি সদস্য মনোনিত কৰিব। আৰু সেই পৰামৰ্শ বিলাকৰ ভিত্তিতেই সদস্য মনোনিত কৰা হব।

Mr. Speaker — You put the supplementary question.

Shri Afzelur Raman :—Whether it is written that the presidents and Members of Gaon Panchayats will be finally selected by concerning MLA of the Constituency

Shri Upendra Das (Minister) :—No Sir, the MLAs were requested to send lists of members after consulting among themselves. The members were selected after scrutinising the lists sent the MLAS.

শ্ৰীহেমেন দাস ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে প্ৰতিটো মহকুমা পৰিষদৰ গাওঁ সভা এনেকাৰ পৰা একোজনকৈ কাউন্চিলৰ লোৱা হৈছেনে? এইটো কথা সচাঁনেকি যে একেখন গাওঁ সভাৰ পৰাই আটাইকেইজন সদস্য লৈ মহকুমা পৰিষদ গঠন কৰা হৈছে?

শ্ৰীউপেন দাস ঃ— মাননীয় সদস্যই যিটো প্ৰশ্ন কৰিছে সেই প্ৰশ্নটো স্পষ্ট নহয়। প্ৰত্যেক গাওঁ পঞ্চায়তৰ পৰাই একোজনকৈ কাউন্চিলৰ লব লাগে। একেখন গাওঁ সভাৰ পৰাই সকলো সদস্য হব নলাগে। কিন্তু একোজনতকৈ অধিক সদস্য থাকিব পাৰে।

শ্ৰীহেমেন দাস ঃ— এই সদস্য সকলক গাঁৱৰ পৰাই লোৱা হৈছেনে নাই টাউনৰ পৰাও লোৱা হৈছে।

শ্ৰীউপেন দাস ঃ— গাঁৱৰ পৰাই লোৱা হৈছে। টাউনৰ পৰা লোৱা হোৱা নাই।

শ্ৰীহেমেন দাস ঃ— টাউনৰ পৰাও লোৱা হৈছিল।

শ্ৰীউপেন দাস ঃ— এগৰাকী মহিলাক ভুলতে লোৱা হৈছিল যদিও পিচত জানিব পাৰি তেখেতক আটৰাই অনা হয়।

শ্ৰীহেমেন দাস ঃ— তেখেতক ডিলিট কৰিছিলনেকি? তেখেতে ৰিজাইন দিলেনে নাই আপোনালোকে আটৰাই দিলে?

শ্ৰীউপেন দাস ঃ— এই সদস্য গৰাকীৰ পদত্যাগ আগতেই হৈছিল। আমাৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগেই তেখেতে পদত্যাগ কৰে।

শ্ৰীআফজালুৰ ৰহমান ঃ— এইটো কথা সচাঁনেকি যে জলেশ্বৰ সমষ্টিৰ বিধান সভাৰ সদস্যৰ পৰা পেনেল কৰি দিয়া হৈছিল। আৰু এই খন এপ্ৰভ কৰা হৈছিল। কিন্তু তাৰ পিচতেই ডি চি চিৰ সভাপতিৰ পৰা এখন পেনেল পাই আগৰ পেনেলখন বন্ধ কৰি পিচৰ পেনেল খনৰ পৰা সদস্য মনোনিত কৰা হৈছে? এইটো কথা সচাঁনেকি?

**Shri UPENDRA DAS (Minister) : Sir, I want notice for the specific question to be answered.**

শ্ৰীপূৰ্ণ বৰো ঃ— এইটো কথা সচাঁনেকি যে বিগত নিৰ্বাচন যি সকলে বৰ্জণ কৰিছিল সেই সকলকে সদস্য মনোনিত কৰা হৈছে?

শ্ৰীউপেন দাস ঃ— এইটো কথা সচাঁ নহয়।

শ্ৰীমথুৰা ডেকা ঃ— যি সকলে নিৰ্বাচনৰ বিৰোধিতা কৰিছিল, ভোট দিবলৈ অহা মানুহক মাৰ্কাপিট কৰিছিল, বান্ধি ৰাখিছিল সেই সকলকে কাউন্চিলৰ কৰা হৈছে? এনেকুৱা ঘট্যা কৰৱা গোবেশ্বৰত ঘটিছে।

শ্ৰীউপেন দাস ঃ চৰকাৰৰ দৃষ্টি এনেকুৱা কথা অহা নাই।

শ্ৰীআফজালুৰ ৰহমান ঃ— মন্ত্ৰী মহোদয়ে কৈছে যে বিভিন্ন গাওঁ সভাৰ আলোচনা ক্ৰমে পেনেল কৰা হৈছে আৰু সেই মতেই মহকুমা পৰিষদ গঠন কৰা হৈছে। কিন্তু মই এটা কথা জানিব বিচাৰিছো যে যি সকলৰ ওপৰত চৰকাৰৰ ক্ৰিমিনেল কেচ আছে সেই সকলকো সদস্য মনোনিত কৰা হৈছে। যেনে শ্ৰীবজ্ৰেশ্বৰ দাস। তেখেতৰ ওপৰত ক্ৰিমিনেল কেচ আছে। তথাপিও তেখেতক চি চি কৰা হৈছে। ইয়াৰ দ্বাৰা এই সকলক চৰকাৰে দুৰ্নীতি কৰিবলৈ উৎসাহ দিছেনেকি?

শ্ৰীউপেন দাস ঃ—এই প্ৰশ্নটোৰ বিষয়ে কিজানি যোৱা নাই। বিশেষ এগৰাকী সদস্যৰ কথা এতিয়াই কব নোৱাৰো। পিচত চাই কব পাৰিম।

শ্ৰীপূৰ্ণ বৰো ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে কেইটামান মহকুমাত তদৰ্থ কমিটি কৰা হৈছে? আৰু তাৰ চি চি সকলৰ নাম কি?

শ্ৰীউপেন দাস ঃ— এইটোৰ উত্তৰ মই এতিয়াই দিব নোৱাৰিম।

শ্ৰীহেমেন দাস ঃ— এইটো গোটেই অসমৰ মহকুমা পৰিষদ সম্পৰ্কীয় প্ৰশ্ন। ইয়াত বিশেষ স্পষ্ট বুলি কোনো কথা নাই। তেখেতৰ হাতত গোটেই অসমৰ তালিকা আছে। গতিকে ইয়াত বিশেষ বা স্পেচিফিক বুলি কোনো কথা নাই।

শ্ৰীউপেন দাস ঃ— ইয়াত যিটো প্ৰশ্ন কৰিছে সেইটোৰ উত্তৰ মোৰ হাতত নাই। গতিকে এতিয়াই ইয়াৰ উত্তৰ দিয়া মোৰ বাবে টান।

শ্ৰীআফজালুৰ ৰহমান ঃ— অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে কৈছে যে শ্ৰীবজ্ৰেশ্বৰ দাসৰ বিৰুদ্ধে যি অভিযোগ অনা হৈছে সেই বিষয়ে নাজানে কিন্তু তেওঁ বিৰুদ্ধে চৰকাৰে গোচৰ তৰিব লাগে বুলি চৰকাৰৰ পৰাই অৰ্ডাৰ হৈছে আৰু তেওঁকেই চি, ই, চি বনোৱা হৈছে। কংগ্ৰেছ আই পাৰ্টিৰে মাননীয় সদস্য মহম্মদ আলী আৰু মই নিজে মন্ত্ৰী মহোদয়ক লিখি দিছিলো যে তেওঁৰ বিৰুদ্ধে অমুক কেচত এনেকুৱা অৰ্ডাৰ হৈছে বুলি। তাৰ পিচতো সেইখন কাগজ পঢ়ি চাই নে নপঢ়াকৈয়ে তেওঁক চি, ই, চি বনোৱা হ'ল জনাব নেকি? এই কাগজৰ প্ৰতি তেখেতে অৱগত হৈছে নে নাই।

Shri Benoy Kumar Basumatari :—Mr. Speaker, Sir, one of the opposition members has specifically said that innumerable complaints have been lodged about a nominee of the Government. Now, the Hon'ble Minister has denied that he is not fully aware of it. Sir, the Hon'ble Member from the Opposition has brought in a specific charge that he has submitted written complaints and the Hon'ble Minister has said that it is not a fact. Sir, will you kindly institute a Committee to enquire into this lapse ?

Mr. Speaker : The Hon'ble Minister has not refused to give answer; he said that he is not in a position to give the reply now and that he will need some time.

শ্ৰীহেমেন দাস :— মন্ত্ৰী মহোদয়ে কৈছে যে তেখেতে এই বিষয়ে চোৱাই নাই। আনহাতে দুজন বিধায়কে এজন তেখেত সকলৰ পাৰ্টিৰে আৰু আনজন বিৰোধী সদস্যই মন্ত্ৰী মহোদয়ক লিখিত আকাৰে জনাইছিল যে তেখেত দুৰ্নীতি পৰায়ণ সেই দুৰ্নীতি পৰায়ণ ব্যক্তি জনকেই মন্ত্ৰী মহোদয়ে আকৌ দুৰ্নীতি কৰিবলৈ সুযোগ দিছে নেকি ?

Shri Afzalur Rahman :—Will the Hon'ble Minister enquire into the matter and if it is found that there are charges against him he will remove the C.E.C. ?

Shri Upendra Das, (Minister, Panchayat, etc.) :—I will examine the matter.

Shri Benoy Kumar Basumatari :—Does the Hon'ble Minister deny that a Member from the Opposition and another Member who has gone over to the Ruling Party-they saw the Minister and put a written complaint. ? Will the Minister deny this ?

শ্ৰীহেমেন দাস :—আমাৰ প্ৰশ্ন হৈছে দুৰ্নীতি পৰায়ন ব্যক্তি জনকেই আকৌ সেইখন আসনত বহুৱাই দুৰ্নীতি কৰিবলৈ সুযোগ দিলে নেকি ?

Shri Afalur Rrhaman :—The House cannot allow a corrupt person, whom the Government indicated as corrupt, to be installed in a position in the Mahakuma Parishad, who is rather a mini Chief Minister, there.

Shri Upendra Das, (Minister, Panchayat; etc.) :—That must be proved clearly beyond any reasonable doubt whether a man is guilty or not. Nothing can be taken for granted.

Shri Benoy Kumar Basumatari :—Mr. Speaker, Sir, we just want either a denial or an affirmation that a complaint was lodged.

Shri Upendra Das, (Minister, Panchayat, etc.) :—Mr. Speaker, Sir, I have already replied that if such papers came I have not seen it. I shall look into it.

Shri Benoy Kumar Basumatari :—Mr. Speaker, Sir, with due apology I wish to clarify - my question is whether two Hon'ble Members met the Minister in this regard. Whether he has met them or he has not met them. It is a very simple question.

Shri Upendra Das, (Minister, Panchayat, etc)—I do not remember who are those persons who saw me because many persons come to see the Minister and it is not possible to remember everyone.

বিঃ গুৱাহাটী মহকুমাব তদৰ্থ মহকুমা পৰিষদ ।

শ্ৰীপূৰ্ণ চন্দ্ৰ বড়োৱে সুধিছে ঃ— ২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে? (ক) গুৱাহাটী মহকুমা তদৰ্থ মহকুমা পৰিষদ গঠন কৰিবলৈ অলপতে বিধায়ক সকলৰ পৰামৰ্শ বিচৰা হৈছিল নেকি ?

(খ) যদি হৈছিল, বিধায়ক সকলৰ পৰামৰ্শ গ্ৰহন কৰা হল নে?

শ্ৰীউপেন্দ্ৰ দাস, (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

২। (ক) প্ৰয়োজন ক্ষেত্ৰে সংশ্লিষ্ট বিধয়াকৰ পৰামৰ্শ বিচৰা হৈছিল ।

(খ) বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ প্ৰয়োজন অনুসৰি আৰু শান্তি সম্প্ৰীতি বজাই ৰখাৰ প্ৰতি চকু ৰাখি জনস্বাৰ্থৰ খাতিৰত বিধায়কৰ পৰামৰ্শ মনত ৰাখি সদস্য মনোনয়ন কৰা হৈছিল ।

শ্ৰীপূৰ্ণ বড়ো ঃ— অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে কৈছে যে বিধায়ক সকলৰ প্ৰয়োজন অনুসাৰে পৰামৰ্শ বিচৰা হৈছিল। কিন্তু আমি জনাত আমাৰ কোনো পৰামৰ্শ গ্ৰহণ নকৰাকৈয়ে তদৰ্থ মহকুমা পৰিষদ বিলাক গঠন কৰ হ'ল। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বিধায়ক সকলৰ সেই পৰামৰ্শ এতিয়াও সন্নিবিষ্ঠ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ— মাননীয় সদস্য গৰাকীৰ কথাখিনি যদিও সংগত কথা। গতিকে তেখেত সকলৰ যিখিনি পৰামৰ্শ সেইখিনি অনুসাৰে বিবেচনা কৰা হব।

শ্ৰীহেমেন দাস ঃ— মোৰ বোধেৰে মন্ত্ৰী মহোদয়ে সচা কথা কোৱা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰয়োজন অনুসাৰে বিধায়ক সকলৰ পৰামৰ্শ বিবেচনা কৰা হব। কিন্তু এতিয়ালৈকে আমাৰ কোনো পৰামৰ্শ গ্ৰহণ কৰা হোৱা নাই। গতিকে তেখেতে যিখন চিঠি আমালৈ দিছিল সেইখন চিঠি পঢ়ি শুনাবনে যে তাত কি লিখা আছে।

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ— চিঠিখন মোৰ লগত নাই৷ গতিকে পঢ়ি শুনাব নোৱাৰিলো।

শ্ৰীহেমেন দাস ঃ— মন্ত্ৰী মহোদয়ে কোৱা কথাখিনি সচাঁ নহয়। তেখেতে পৰামৰ্শ বিচাৰিছিল তাৰদ্ব তাকো চিঠিৰে। কিন্তু সেই পৰামৰ্শ গ্ৰহণ নকৰি আমাক অপমান কৰিছে আৰু অপমান কৰাৰ অধিকাৰ কত পালে? আমিটো আমাৰ পৰামৰ্শ লওক বুলি তেখেতত ঘৰলৈ বিচাৰি যোৱা নাছিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয় মহকুম পাৰিষদ গঠন সম্পৰ্কে যথেষ্ট আলোচনা বিলোচনা হৈ গৈছে। মই বিৰোধী পক্ষৰ লগতো আলোচনা কৰিছিলো আৰু ভালে কেইটা ৰাজনৈতিক দলৰ লগতো আলোচনা কৰিছো। মই মাননীয় সদস্য সকলক কব বিচাৰিছো যে পঞ্চায়ত গঠনৰ ক্ষেত্ৰত চৰকাৰে একপক্ষ নলয় কিন্তু পঞ্চায়তৰ কাৰ্য্যকাল উকলি যোৱাৰ লগে লগে খৰটকীয়া ভাবে তাক পুনৰ গঠন কৰোতে কিছু ভুলত্ৰুটি থাকিব পাৰে। তেখেত সকলৰ যিখিনি পৰামৰ্শ তাক আমি নিশ্চয় বিবেচনা কৰিম সেইখিনি তেখেতো সকলৰ অবগতিৰ কাৰণে জনাই থলো।

Shri Benoy Kumar Basumatari :—Hon'ble Speaker, Sir, referring to the Hon'ble Chief Minister's statement made just now, does it amount to an assurance that the already constituted Mahkuma Parishad will be reconstituted?

---

## MISCELLANEOUS

Mr. Speaker :—Before I come to item No. 2, Hon'ble Member Shri Hemen Das may speak.

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকতত এটা খবৰ ওলাইছে যোৱা কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰীক্ষা চলি থকা অৱস্থাত ডিব্ৰুগড় কলেজৰ এটা কেন্দ্ৰত কোনো পৰীক্ষাৰ্থীয়ে নকল কৰাত নিৰীক্ষকে হাত লোত ধৰা পেলোৱাৰ পিচত বহু সংখ্যক পৰীক্ষাৰ্থী সমবেত হৈ অধ্যক্ষক মাৰপিত কৰিছে আৰু কলেজৰ সা-সম্পত্তি নষ্ট কৰিছে আৰু এই সংক্ৰান্তত ডিব্ৰুগড় টাওনত চাৰিটা পৰীক্ষা কেন্দ্ৰৰ পৰীক্ষা বাতিল কৰা হৈছে। কাইলৈৰ পৰা আমাৰ এই ফালেও প্ৰি, ইউ পৰীক্ষা আৰম্ভ হব। এতিয়াএকাংশ লৰাৰ মাজত নকল কৰাৰ গণতান্ত্ৰিক অধিকাৰ বেৱস্ত কৰি পৰীক্ষা বিলাক প্ৰহসনত কৰিবলৈ বিছৰা হৈছে। এই গান্ধীবাদী অধিকাৰ হস্তক্ষেপ কৰি শান্তিপূৰ্ণ ভাবে পৰীক্ষা চলাই নিয়ৰ কি ব্যৱস্থা লোৱা হৈছে তাক আমি জানিব বিচাৰিছোঁ।

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী)

অধ্যক্ষ মহোদয়, যোৱা ২৮ মে তাৰিখৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰি ইউ পৰীক্ষা চলি থকা অৱস্থাত এজন প্ৰাইভেট পৰীক্ষাৰ্থীয়ে নাম মাৰাঠা পেগু ৯-৪৫ মিনিট সময়ত নকল কৰি থকা অৱস্থাত সেই কলেজৰ অধ্যক্ষ ডি, এন, জাগৰৱে ধৰা পেলাই। আৰু সেই খিনি সময়ত লৰাজনে অধ্যক্ষৰ লগত তৰ্ক তৰ্কি কৰোতে গন্দগোলৰ সৃষ্টি হয় আৰু হঠাতে পৰীক্ষাৰ্থী সকল আনন্দিত হৈ অধক্ষ্যক অসম্মান কৰে। তাৰ পিচত পৰীক্ষাৰ্থী সকলে পৰীক্ষা বৰ্জন কৰে কলেজৰ ডেস্স— বেঞ্চ আদি নষ্ট কৰি ওলায় আহে। সেই কেন্দ্ৰৰ কৰ্ত্তব্যত আৰক্ষী শ্ৰীউমাকান্ত গগৈ কিছু আঘাট প্ৰাপ্ত হয়। এই সংক্ৰান্তত ডিব্ৰুগড়ৰ চাৰিখন কলেজ ডিব্ৰুগড় কানৈ কলেজ, কানৈ বাণিজ্য কলেজ, মনোহাৰী দেৱী কলেজ আৰু ডিব্ৰুগড় কলেজ এই চাৰিখন কলেজৰ পৰীক্ষা বৰ্জন কৰা হৈছে যদিও মনোহাৰী দেৱী কলেজৰ আঠ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিয়াৰ সিদ্ধান্ত কৰিছে। যোৱা ২৮ তাৰিখৰ পৰীক্ষাটো ৭ জুন তাৰিখে পুনৰ অনুষ্ঠিত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আৰু এটা কথা সেইটো হৈছে এই মাৰাঠাপেগুৰ ককায়েক এজনো প্ৰি, ইউৰ পৰীক্ষাৰ্থী আৰু তেওঁকো বহিস্কাৰ কৰা হৈছিল। আজি আমাৰ চৰকাৰে এই পৰিস্থিতি উলাই নকৰে আৰু তাক বোধ কৰিবৰ কাৰণে দৃঢ়তাৰে ব্যৱস্থা গ্ৰহণ কৰিব বিচাৰিছে।

Mr. Speaker :—Now Item No. 2.

Shri Hemen Das :—Mr. Speaker, Sir, I call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Busines in Assam Legislative Assembly to the news item appearing in the Dainik Asom, dated 10th May, 1983, under the caption—"Barjanar Shiddhanta".

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—

দৈনিক অসমৰ কাকতৰ ১১ মে তাৰিখৰ সংখ্যাত প্ৰকাশিত জৰিমনা আদায় কৰাৰ সম্পৰ্কত শীৰ্ষক বাৰ্তাবিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। ৰাজ্যখনৰ কিছুমান ঠাইত কোনো ব্যক্তি তথা সংগঠনে যোৱা নিৰ্ব্বাচনত ভাগ লোৱা আৰু সমৰ্থন কৰা ব্যক্তি আৰু তেওঁলোকৰ আত্মীয় বৰ্জনক জৰিমনা কৰাৰ খবৰ চৰকাৰৰ হাতত পৰিছেহি। তথা কথিত ৰাইজৰ আদালতে তেনে জৰিমনাৰ বিহা বুলি উঠা অভিযোগো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দৰ্ভত অনুসন্ধান চলাই উপযুক্ত ব্যৱস্থা হাতত লোৱা হব। ইতিমধ্যে এনেধৰণৰ দুটা অভিযোগ সক্ৰান্তত পাটাচাৰকুছী থানাৰ অধীনত ৩৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাজ্যখনৰ সকলোবোৰ অঞ্চলতে এনেধৰণৰ ঘটনাৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ আৰু প্ৰয়োজন মতে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় প্ৰশাসনক নিৰ্দ্দেশ দি ৰখা হৈছে।

---

## MATTER UNDER RULE 301

Mr. Speaker :—Item No. 3.

Shri Hemen Das :—Mr. Speaker, Sir, I now raise a matter under Rule 301 of the Rules of Procedure & Conduct of Business in the Assam Legislative Assembly relating to the news item appearing in the Dainik Asom, dated 11th May, 1983 under the caption "Jarimana Adaya Kora Shamparkat".

শ্ৰীহেমেন দাস— মাননীয় অধ্যক্ষ মহোদয়, পাৰ হৈ যোৱা নিৰ্ব্বাচনৰ সম্পৰ্কত ৰাজ্যখনৰ বিভিন্ন ঠাইত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ ফালৰ পৰা নিৰ্বাচনত অংশ গ্ৰহণ কৰা বা সহযোগ কৰা সকলৰ ঘৰ দুৱাৰত অগ্নিসংযোগ, বামপন্থী লোকসকলৰ ওপৰত অত্যাচাৰ আনকি হত্যা আদি নানা ধৰণৰ ঘটনা সংঘটিত কৰিছিল। ইয়াৰ ওপৰিও বহুত ঠাইত এই সংগঠন দুটাৰ নামত বহুত লোকক হাৰাসাস্তি কৰা হৈছে। বহুত ঠাইত বহু টকা জৰিমনা কৰা হৈছিল আৰু বলপূৰ্বক ভাৱে সেই বিলাক আদায় কৰা হৈছিল। কিছুমান পৰিয়ালে মাটি ভেটি বিক্ৰী কৰি সেই জৰিমনাৰ টকা আদায় দিবলগীয়া হৈছিল। সৰ্বনিম্ন ২০ টকাৰ পৰা ১০,০০০ টকা পৰিমান আদায় কৰা হৈছিল। এই আন্দোলনটো গান্ধীবাদী বুলি বাজপী দন্ডৱটো ব্ৰাপোৰ্ট দিছে। এই বাজপেয়ী দন্ডৱটোৰ আশীৰ্বাদ পুষ্ট এই আন্দোলনৰ সময়তো গান্ধীৰ সময়ত আন্দোলন কৰা লোকে এই গোটেই বিলাক কথা কাণ্ড দেখি গান্ধীজীৰ নামত কলংক সনাৰ বাহিৰে একো নহয় বুলি ভাবিবলৈ বাধ্য হৈছে। গান্ধীবাদী বুলি প্ৰশংসা কৰা কোনোবা ভুদান আন্দোলনৰ নেতাইও গান্ধীজীৰ আদৰ্শ হত্যা কৰাহে হৈছে কিয়নো গান্ধীজীৰ আন্দোলনৰ সময়ত এনেকৈ সাধাৰণ মানুহক জৰিমনা কৰা হোৱা নাছিল অথবা এনে গন্ডীৰ ভিতৰত সোমাই পৰা নাছিল। মই তেনেকুৱা ভাবে জৰ্জৰিত হোৱা লোক সকলৰ এখন তালিকা মুঃমঃ আৰু গৃহ বিভাগৰ উঃমন্ত্ৰী ডাঙৰীয়াক দাখিল কৰিছিলো। কেৱল কাঃ জিলাৰ তেনে লোক সকলৰ নামহে মই তালিকাত গোটাব পাৰিছিলো। দৰং আৰু নগাওঁৰ বাহিৰেও আন আন জিলাতো তেনে লোকৰ সংখ্যা বহুখিনি আছে। সেইবিলাক মই সংগ্ৰহ কৰিব পৰা নাই। এই সম্পৰ্কত চৰকাৰে কি

কৰিছে এতিয়ালৈকে জানিব পৰা নাই। মই ইয়াত কেইটামান উদাহৰণ দিব বিচাৰিছো। গোবিন্দপুৰ, ভলুকা, বামাখাটা এই সকলো বিলাক অঞ্চলতে এনে জৰ্জৰিত লোক বহুত আছে। তেওঁলোকৰ পৰা জোৰ কৰি জৰিমনা আদায় হৈছে। আমখোৱাত উনত্ৰিশ ঘৰ পৰিয়ালক জৰিমনা কৰিছে। বৰআগ্ৰা, বঙালী চৌধুৰীপাৰা এই বিলাক ঠাইতো কেবাঘৰো লোকক জৰিমনা কৰিছে। তাত দুহাজাৰৰ তলত এজনো নাই। মই মুখ্যমন্ত্ৰী তথা গৃহ বিভাগৰ উপমন্ত্ৰী মহোদয়ক দিয়া তালিকাত বহু লোকৰ নাম সন্নিবিষ্ট কৰি দিছো। তালিকাত্তে থকা হৰেণ দাস নামৰ প্ৰকেচৰ এজনৰ ছোৱালীজনী আমাৰ এচ-এফ-আইৰ কৰ্মী আছিল তেওঁলোককো ডেৰ হাজাৰ টকা জৰিমনা কৰিছে। গোবিন্দপুৰত হৰেন ডেকা —আঢৈহাজাৰ, শৰত ডেকা—দেড়হাজাৰ, মহানন্দ—দুহাজাৰ দশ, দেবেন দাস—একহাজাৰ পাচশ সতাষষ্টি, সত্যদাস-এশ একটকা, কৈলাশ দাস—এশ এটকা, ভবেন দাস—এশ এটকা, ভবেশ দাস—এশ এটকা, প্ৰবীন দাস- এশ এটকা, প্ৰকাশ গোস্বামী— এশ এটকা, গোলোকে গোস্বামী-তিনিশ টকা । এই সকলো বিলাক নাম লিখা মই দুয়োজনা মন্ত্ৰীৰ হাতত দাখিল কৰিছো। ইয়াৰ ওপৰিও চতিয়াত এজন কংগ্ৰেছ আইন লোকৰ দুহাজাৰ চাৰিশ টকা জৰিমনা কৰা হৈছে। আৰু শৰ্বাহদ খেতিও হৈছে। ৰাইজ বহুত ঠাইত নিৰ্যাতিত হৈছে জুলুম পাইছে। এনেকৈ জানো চলি থাকিব। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই জৰিমনা আৰু জোৰ জুলুম আদিৰ সংক্ৰান্তত কি ব্যৱস্থা লৈছে সদনত জনাব লাগে ।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, দৈনিক অসম কাকতৰ এঘাৰ মে তাৰিখৰ সংখ্যাত প্ৰকাশিত 'জৰিমনা আদায় কৰা সম্পৰ্কত' শীৰ্ষক বাৰ্তাবিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। ৰাজ্যখনৰ কিছুমান ঠাইত কোনো ব্যক্তি তথা সংগঠনে যোৱা নিৰ্বাচনত ভাগ লোৱা আৰু সমৰ্থন কৰা ব্যক্তি আৰু তেওঁলোকৰ আত্মীয় স্বজনক জৰিমনা কৰাৰ খবৰ চৰকাৰৰ হাতত পৰিছেহি। তথাকথিত ৰাইজৰ আদালতে তেনে জৰিমন বিহা বুলি উঠা অভিযোগ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে । এই সন্দৰ্ভত অনুসন্ধান চলাই যথোপযুক্ত ব্যৱস্থাহাতত লোৱা হব। ইতিমধ্যে এনে ধৰণৰ দুটা অভিযোগ সংক্ৰান্তত পাটাচাৰকুছি থানাৰ অধীনত ৩৬ জন লোকক গ্ৰেপ্তৰ কৰা হৈছে। ৰাজ্যখনৰ সকলোবোৰ অঞ্চলতে এনে ধৰণৰ ঘটনাৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ আৰু প্ৰয়োজনমতে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় প্ৰশাসনক নিৰ্দ্দেশ দি ৰখা হৈছে।

---

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker - Item No. 4. Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 21st May, 1983 in my Chamber at Dispur. The Committee after discussion decided that the meetings of the May-June Session of the Assembly commencing on and from 30th May, 1983 should continue till 9th June, 1983 and finalised the calendar of business for the current session. There will be altogether 10 working days, out of which 9 days will be devoted for transaction of Government business and one day for transaction of Private Members' business. In case, there is no Private Members' Business, this day will also be devoted for transaction of Government business.

A copy of the Calendar for meetings of the current session of the Assembly as settled by the Committee has already been circulated among the Hon'ble Members of the House.

I hope this has the approval of the House.

(Voices - Yes. Yes.)

Item No. 5. Under Rule 9(i) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby nominate the following members to constitute the Panel of Chairman for the present Session of the Assembly :—

1. Shri Altaf Hossain Mazumdar
2. Shri Silvius Condpan
3. Shri Afzalur Rahman
4. Shri Hemen Das

---

## LAYING OF ORDINANCES AND REPORTS

Shri Upendra Das, (Minister) :—Mr. Speaker, Sir, I beg to lay the Assam Panchayati Raj (Seventh Amendment) Ordinance, 1983 (Assam Ordinance No. 1 of 1983).

Mr. Speaker :—Item No. 7.

Shri Mohammad Idris, (Minister) :—Mr. Speaker, Sir, I beg to lay the Assam Contingency Fund (Amendment) Ordinance, 1983 (Assam Ordinance No. II of 1983).

Mr. SPEAKER : Now, item No. 8.

Shri RANENDRA NARAYAN BASUMATARI, (Minister, Sericulture & Weaving) : Sir, I beg to lay the Annual Report of the Assam Spun Silk Mills Ltd. for the year 1978-79.

Mr. SPEAKER : Now, item No. 9.

Shri ABDUL MUHIB MAZUMDAR, (Minister, Parliamentary Affairs) : Sir, I beg to move that this Assembly do elect two Members of the Assembly in accordance with the provision of Rule 242 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Accounts to fill up the vacancies caused by cessation of membership of Shri Ibrahim Ali and Shri Kul Bahadur Chetri on their appointment as Minister of State and Deputy Minister respectively under proviso to Rule 242 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. The newly elected members shall hold office for the remaining unexpired period of the terms of the Committee.

Mr. SPEAKER.— The motion is moved. The motion is passed. The Secretary will notify the date, time and plaee for holding the election, if necessary.

Item No. 10.

Shri ABDUL MUHIB MAZUMDAR, (Minister, Parliamentary Affairs): Sir, I beg to move that this Assembly do elect one member of the Assembly in accordance with the provision of Rule 260 B (I) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Undertakings to fill up the vacancy caused by cessation of membership of Shri Kabir Chandra Rai Pradhani, member of the Committee on Public Undertakings on his appointment as Minister of State under Proviso to Rule B 260 (I). The newly elected member shall hold office for the remaining unexpired period of the term of the Committee.

Mr. SPEAKER : The motion is moved. The Motion is passed. The Secretary will notify the date, time and place for holding the election, if nacessary.

Now, item No. 11, Shri Abdul Muhib Mazumdar.

Shri ABDUL MUHIB MAZUMDAR, (Minister, Parliamentary Affairs): Sir, I beg to move that this Assembly do elect three Members of the Assembly in accordance with the provision of Rule 260 D (I) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Welfare of Scheduled Castes and Scheduled Tribes to fill up the vacancies caused by cessation of membership of Shri Reghu Nath Pamegam, Shri Luis Islari, and Shri Lakhi Prasad Hazarika on their appointment as Minister and Deputy Ministers respectively under proviso to Rule 260 D (I). The newly elected members shall hold office for the remaining unexpired period of the term of the Committee.

Mr. SPEAKER : The Motion is moved. The motion is passed. The Secretary will notify the date, time and place for holding the election, if necessary.

Now, item No. 12, Smtl. Syeda Anwara Taimur.

Smti. SYEDA ANWARA TAIMUR, (Minister for P.W.D.) : Sir, I beg to move that the Assembly recommends that the Assam Road Communication Board be constituted to advise Govt. in the matter of road development in the State with the following members and that they (Members) do hold office for the life time of this Legislative Assembly :

1. Minister-in-Charge of P.W.D.-Chairman.

2. Secretary to the Govt. of Assam, P.W.D., Dispur—Member Secretary.

3. Chief Engineer, P.W.D. (Roads) Assam,—Member.

4. Addl. Chief Engineer, P.W.D. — Member.

5. (i) Addl. Chief Engineer, Eastern Zone, Gauhati—Member.

(ii) Addl. Chief Engineer, Western Zone, Gauhati — „

(iii) Addl. Chief Engineer, Central Zone, Gauhati — „

(iv) Addl. Chief Engineer, Planning (Roads), C.E. S Office—„

6. Deputy Secretary to the Govt. of Assam, P.W.D. In-Charge Planning — Asstt. Secretary to the Board.

7. 23 (twneythree) Members, one representing each Civil Sub-Division to be elected by the Members of the Legislative Assembly.

8. 10 (ten) Members to be nominated by the Government to represent Municipal Board/Town Committee; Mohkuma Parishad.

9. Minister-in-Charge, Transport — Member.

Minister-in-Charge, Industries — Invitee

Minister-in-Charge, Hill areas and Soil Conservation — Invitee.

Minister-in-Charge, Flood Control — Invitee.

Deputy Minister, P.W.D. — Invitee.

Secretary to the Govt. of Assam, Transport Deptt — Member.

Secretary to the Govt. of Assam, Industries Deptt.—Member.

Secretary to the Govt. of Assam, Flood Control Deptt.—Member.

10. 2 (two) members (one Member of lok Sabha and one member of Rajya Sabha from Assam) to be coopted by the Government.

Mr. SPEAKER : The motion is movd. The Motion is passed. The Secretary will notify date,, time and place for holding the election, if necessary.

Item No. 13.

SHRI JAGANNATH SINHA (Minister)— Mr. Speaker Sir, I beg to move that "three representatives be elected by the Assam Legislative Assembly from among its members to become the members of the Town and Country Planning Advisory Council under Section 3 (I) (X) of the Assam Town and Country Planning Act, 1969.

The vacancies are caused from the month of March, 1982 due to the ceasing of memberships of the then MLAS viz. Sarbashri Biresh Mishra, Khogen Barbaruah and Md. Shamsul Huda in the Council due to the dissolution of the State Legislative Assembly as provided under Section 5 of the Assam Town and Country Planning Act, 1959.

The above named MLAS were elected for memberships of the Council during the Assembly Session in the month of April, 1981

Mr. Speaker Motion moved. The motion is adopted

The Secretary will notify the date, time and place for holding the election, if necessary.

SHRI MUKUT SARMA (Minister).—That this Assembly proceed hereby to elect 7 members of the Assam Legislative Assembly from amongst themselves to be members of the Gauhati University Court under Section 9 (I XXI) of the Gauhati University Act, 1947 (as amended till date). The vacancies have been caused by the dissolution of the last Assembly.

The members so elected shall hold office for a period of 3 years from the date of their election under Sec 9(?) of the Gauhati University Act, 1947) as amended till date).

Mr. Speaker: Motion moved. The motion is passed—

The Secretary will notify date, time, place for holding election, if necessary.

SHRI MUKUT SAKMA (Minister)—Sir, I beg to move that this Assembly proceed hereby to elect 7 members of the Assam Legislative Assembly from amongst themselves to be the members of the Dibrugarh University Court under Section 15 (I) (XVII) of the Dibrugarh University Act, 1955 as amended till date). The vacancies have been causid by the dissolution of the last Assembly.

The members so elected shall hold office for a period of 5 years or till the expiry of the term of membership whichever is earlier from the date of their election under Section 37(2) of the Dibrugarh University Act, 1965 (as amended till date).

Mr. Speaker The motion moved The motion is passed. The Secretary will notify the date, time and place for holding the election, if necessary.

### The Assam Panchayatiraj (Seventh Amendment) Bill, 1983

SHRI UPENDRA DAS (Minister). Sir, I beg leave to introduce the Assam Panchayati Raj (Seventh Amendment (Bill, 1983.

Mr. Speaker: Is it the pleasure of the House to grant leave to the Hon. Minister to introduce the Bill ?

(Voices——yes, yes)

শ্ৰীহেমেন দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, তাৰ আগতে মোৰ কত্তব্য আছে। এই বিষয়টো আপোনি বিবেচনা কৰাৰ ওপৰতে নিৰ্ভৰ কৰে। মই মন্ত্ৰী মহোদয়ে শেষ কৰাৰ লগে লগে কৰলৈ ওলাইছো, কিন্তু যান্ত্ৰিক বিজুতিৰ কাৰণে মোৰ কথা কোনেও হয়তো শুনা নাই। এই লিভগ্ৰেন্ট কৰাটো সমীচিন হোৱা নাই—কিয়নো আমাৰ বক্তব্য শুনাৰ পিচতহে এটা সিদ্ধান্তলৈ আহিব লাগিছিল।

শ্ৰীগোলোক ৰাজবংশী ঃ— সাধাৰণতে লিভগ্ৰেন্ট কৰাৰ ক্ষেত্ৰত কোনেও অবজেকচন নিদিয়ে।

শ্ৰীহেমেন দাস ঃ—কিন্তু লিভৰ ক্ষেত্ৰত অবজেকচন দিয়াটো কোনো বাধা নাই। লিভৰ ক্ষেত্ৰত অবজেকচন দিয়াৰ অধিকাৰ আছে যিহেতু তাক সাব্যস্ত কৰাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ে সেই অধিকাৰ ৰক্ষা কৰিব লাগে। এই সদনৰ সদস্য হিচাবে আমি যিখিনি অধিকাৰ পাইছে সেইখিনি ৰক্ষা কৰাৰ কাৰণে আপোনি ইয়াত আছে। সেই অধিকাৰক আপোনি ৰক্ষণা বেক্ষণ দিব লাগে। কিন্তু আজি আমি দেখিবলৈ পাইছো যে গাব বলেৰেহে কাম কৰা যেন লাগিছে। যদি এইদৰেই কাম কৰিবলৈ লোৱা হয় তেনেহলে ইয়েই চিৰদিনৰ কাৰণে এটি নজিৰ হৈ থাকিব।

Mr. Speaker.—Honourable Member has got right. Leave has already been granted.

SHRI UPENDRA DAS, (Minister Panchayat.)—I introduce the Bill

(The Assam Pahchayati Raj (Seventh Amendment) Bill, 1983 was introduced).

———

## ANNOUNCEMENT BY THE HON. SPEAKER

Mr. Speaker.—The Bill is introduced. Before I go to Item No. 17 I have some announcements.

### ANNOUNCEMENT NO. 1.

Under Rule 228 of the Rules of Procedure and Conduct of Business in Assam Legislatiue Assembly. I hereby nominate Shri Afzalur Rahman as a member of the Business Advisory Committee to fill up the vacancy caused due to the appointment of Shri Abdul Muhib Mazumdar. Minister, Parliamentary Affairs. The Minister, Parliamentary Affairs however, will continue to remain as member of the Committee.

## ANNOUNCEMENT NO. 2

In exercise of the powers conferred under Resolution adopted by the House on 24th March 1983. I hereby nominate Md. Siraj uddin M. L. A. as a member of the Employment Review Committee in the resultant vacancy caused due to cessation of membership of Shri Shah Jalal Ali on his appointment as Parlimentary Secretary for the remaining period of the term of the said committee.

## ANNOUNCEMENT NO. 3

I hereby inform the House that I have nominated Shri Bimal Gayari to the Committtee on Subordinate Legislation. Assam Legislative Assembly to fill up the vacancy caused due to the appointment of Shri G. C. Langthasa, Member. Subordinate Legislation Committee as a Minister.

## ANNOUNCEMENT NO. 4.

In exercise of the Powers conferred by Rule 257 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. I hereby nominate Shri Subal Chandra Das, M. L. A. as a member of the Committee on Government Assurances in the resultant vacancy. caused due to cessation of membership of Shri Lambheswar Sonowal under proviso to the Rule 257 on his Appointment as Deputy Minister for the remaining period of the term of the said Committee.

## ANNOUNCEMENT No 5.

I hereby announce that Sarbashree Ismail Hussain. G. C. Langthasa: Abdus Sobhan. Md. Ali. Dinesh Prasad Goala. Main Uddin Independent members joined the Indian National Congress (I) raising the strength of the Party to 97.

This is for information of the Honourable members of the House.

And at the same time I request the honourable members of the Business Advisory Committee to meet me in my Chamber after the House rises.

---

## OBITUARY REFERENCE

Now Item No. 17. Obituary Reference.

I rise to condole the death of Shri Sardar Hukum Singh.

Born on 30th August, 1895 at Nontgomery now in Pakistan. Sardar Hukum Singh received his higher education in Khalsa College, Amritsar and obtained the Degree of Law from Lahore. He distinguished himself as a Lawyer and was elavated to the Bench of the State High Court, Kapurthala, Late Shri Singh was a vetern Freedom Fighter. He was imprisoned for several years. He was also a vetern Politi-

cian and was a member of the Constituent Assembly form 1948 to 1950 and Member of Provisional Parliament from 1950 to 1952. He had been a Member of Lok Sobha for a long period from 1952 to 1967 and had served as a Deputy Speaker and also as Speaker from 1962 to 1967. As Presiding Officer he discharged his responsibility with great distinction and his impartiality commanded respect from all sections of the House. He was also appointed as the Governor of Rajasthan.

He was a noted Social worker and a religious man. He was the president of the Shiromoni Akali Dal for three years. He held the Chairmanship of the Governing Body of the SGTB Khalsa College, Delhi and presidentship of the Montgomery District Bar Association.

Late Shri singh travelled widely and was a member of the Punjab University Hokey team from 1914 to 1915. This noted Politician and Statement passed away on 27th May, 1983 in New Delhi at the age of 88. In his death the country lost a noble son.

I request all the Members to rise in their seats to observe two minutes silence as a mark of respect to the departed soul.

Shri Binoy Basumatari:—Honourable Speaker may also include the name of Shri Samon Baskey, a Santhal Leader who was born in 1922 and passed away on the 6th May, 1983. He served the conntry in different capacities. He was the President of Santhal Sahitya Babha. We have lost a reformer in his death.

Mr. Speaker:—His name will be included.

---

## ADJOURNMENT

The Assembly was then adjourned till 10 A.M. on Tuesday the 31st May, 1983.

Dated Dispur
The 31st May, 1983.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (L.A.) No. 1639/84—1400—24-3-85.